অধ্যায় ৬ ঃ কল্প-বিজ্ঞান আৰু অসমীয়া কল্প-বিজ্ঞান

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 কল্প-বিজ্ঞান

6.3.1 সংজ্ঞা, অর্থ আৰু ইতিহাস

6.4 অসমীয়া কল্প-বিজ্ঞান সাহিত্য

6.4.1 অসমীয়া সাহিত্যত কল্প-বিজ্ঞানৰ স্থান

6.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.6 অধিক জানিবলৈ

6.7 অগ্রগতিৰ খতিয়ান

6.8 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কল্প-বিজ্ঞান সাহিত্যৰ সংজ্ঞা, অর্থ আৰু বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ শ্রেণীবিভাজন, উপস্থাপন শৈলী, ভাষা, ৰচনা-ৰীতি আৰু মনস্তাত্ত্বিক দিশ সম্পর্কে ধাৰণা লাভ কৰিব
- অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে পৰিচয় লাভ কৰিব
- সাম্প্রতিক সময়ৰ অসমীয়া কল্প-বিজ্ঞান সাহিত্য সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব
- অসমীয়া সাহিত্যত কল্প-বিজ্ঞানৰ স্থান সম্পর্কে পৰিচয় লাভ কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি শিশু সাহিত্য সম্পর্কে অধ্যয়ন কৰিলোঁ। সেই অধ্যায়টোত শিশু সাহিত্যৰ সংজ্ঞা, অর্থ, ইতিহাস, বৈশিষ্ট্য, শ্রেণীবিভাজন, বিষয়বস্তু, উপস্থাপনশৈলী, ভাষা, ৰচনাৰীতি আৰু মনস্তাত্ত্বিক দিশ সম্পর্কে অধ্যয়ন কৰাৰ লগতে অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ আৰু বিকাশ, সাম্প্রতিক সময়ৰ অসমীয়া শিশু সাহিত্য আৰু অসমীয়া সাহিত্যত শিশু সাহিত্যৰ স্থান সম্পর্কেও সামগ্রিক আভাস লাভ কৰিলে। এই অধ্যায়টোত আমি 'কল্প-বিজ্ঞান' সম্পর্কে কিছু কথাৰ অধ্যয়ন কৰিম।

এই অধ্যায়টিৰ জৰিয়তে কল্প-বিজ্ঞান সাহিত্যৰ সংজ্ঞা, অর্থ, ইতিহাস, বৈশিষ্ট্য, শ্রেণীবিভাজন, বিষয়বস্তু, উপস্থাপন শৈলী, ভাষা, ৰচনাৰীতি আৰু মনস্তাত্ত্বিক দিশ সম্পর্কে

দিয়া হয়। গার্নছবেকে এই শ্রেণী সাহিত্যক বিজ্ঞান-কাহিনী (Scientification) নাম দিছিল। তেৱেঁই *এমেজিং ষ্টৰিজ* নামৰ আলোচনী এখন উলিয়াই এই সাহিত্যৰ ধাৰাটোৰ ক্ষেত্রত এটা বিপ্লৱৰ সৃষ্টি কৰিছিল। গার্নছবেকে কৈছিল — "বিজ্ঞান-কাহিনী শব্দটোৰে মই জুল ভার্ন, এইচ জি ৱেলছ, এডগাৰ এলেন পো আদিয়ে লেখা ধৰণৰ গল্পহে বুজাওঁ। তাতে থাকে বৈজ্ঞানিক সত্য আৰু ভৱিষ্যতৰ দৃষ্টিৰে মিশ্রিত এটা মনোমোহা ৰোমাঞ্চ। এইবোৰ ৰুচিকৰ ধৰণেৰে জ্ঞান দিয়ে। এই বিজ্ঞান কাহিনীত অংকিত কৰা আজিৰ নতুন আৱিষ্কাৰসমূহ কাইলৈ সঁচা হৈ পৰাটো মুঠেই অসম্ভৱ নহয়।" ইয়াৰ আগে-পাছে কল্প-বিজ্ঞান কাহিনীৰ ৰচনা আৰু প্রচাৰ চলি গৈ থাকিল আৰু এই সাহিত্যৰ অনুৰাগী একশ্রেণী পাঠক-পাঠিকাৰো সৃষ্টি হ'ল।

কল্প-বিজ্ঞান কাহিনীক আমেৰিকাৰ জন ডব্লিউ কেম্পবেল জুনিয়ৰে নতুন আৰু আগতকৈও দৃঢ় সংজ্ঞাৰে বান্ধিবলৈ যত্ন কৰিলে। আইজাক এছিমভ, ৰবার্ট হেইনলিন আৰু আর্থাৰ ছি ক্লার্ক আদি নতুন, সম্ভাৱনাময় লেখকসকলৰ ধাত্রী হিচাপে কাম কৰি কল্প-বিজ্ঞান কাহিনীৰ সোণালী যুগটোৰ আদৰণি জনোৱা সময়তে তেওঁ ঘোষণা কৰিলে যে — "কল্প-বিজ্ঞান কাহিনীক বিজ্ঞানৰ লগত যথেষ্ট সাদৃশ্য থকা এক সাহিত্যিক মাধ্যম বুলি গণ্য কৰিব লাগে। বৈজ্ঞানিক প্রণালীত এই সম্ভাৱনা সদায়ে থাকে যে এটা সু-চিন্তিত তত্ত্বই যে অকল ইতিমধ্যে জনা পৰিঘটনা বিলাককে ব্যাখ্যা কৰিব পাৰে সেয়া নহয়, অনাৱিস্কৃত নতুন পৰিঘটনাৰো সি ভৱিষ্যতবাণী কৰিব পাৰে। কল্প-বিজ্ঞান কাহিনীয়েও প্রায় একে ধৰণৰ কামকে কৰে। ই বিজ্ঞানৰ কোনো ফল কেৱল যন্ত্রপাতিৰ ওপৰতে নহয়, মানৱ সমাজৰ ওপৰত প্রয়োগ কৰিলে তাৰ ফলাফলনো কেনে হয় সেই বিষয়েও গল্পৰ ৰূপত প্রকাশ কৰে।"

আন এগৰাকী বিশিষ্ট লেখক থিঅ'ডৰ ষ্টুৰজিয়নে এই সংজ্ঞাক আৰু স্পষ্ট কৰি তোলে। তেওঁ কয় — "কল্প-বিজ্ঞান কাহিনী হ'ল মানুহৰ চৌপাশে সৃষ্টি কৰা, মানুহৰ সমস্যাৰে সৃষ্টি হোৱা আৰু মানৱীয় সমাধান থকা কাহিনী। বিজ্ঞানৰ বিষয়বস্তু নথকা হ'লে অৱশ্যে এই গল্পটোৱেই নহ'লহেঁতেন।"

ইয়াৰ পাছত ডেমন নাইট, জেমছ ব্লিছ, ৰেছিল ডেৱেনপর্ট আৰু ৰবার্ট হেইনলিন আদি কল্প-বিজ্ঞানৰ বিশিষ্ট লেখক সকলৰ হাতত পৰি এই সংজ্ঞাটো আৰু স্পষ্ট ৰূপত প্রকাশ হ'ল — "কল্প-বিজ্ঞান কাহিনী হ'ল বর্ণনাত্মক গদ্যৰ এটা বিশেষ শ্রেণী। ইয়াত আমি জনা জগতখনত ঘটিব নোৱৰা পৰিস্থিতি এটা হাতত লোৱা হয়। প্রকৃত বা ভুৱা বিজ্ঞান আৰু প্রযুক্তিবিজ্ঞানৰ কিছু উন্নতীকৰণৰ পাছত কল্পিত এক জগতত ঘটিব পৰা পৰিস্থিতি ইয়াত থাকে। সি অৱশ্যে মানৱীয় বা বহিঃপার্থিৱ মূলৰো হ'ব পাৰে।"

ব্রিয়ান এলডিছ নামৰ আন এগৰাকী কল্প-বিজ্ঞান কাহিনীৰ বিশিষ্ট লেখকে এই বুলি কৈছে — "ভূতৰ গল্প ভূতৰ বাবে বুলি ক'লে যেনে কথা হ'ব, কল্প-বিজ্ঞান গল্প-উপন্যাসবোৰো কেৱল বিজ্ঞানীৰ বাবেই বুলি ক'লে ঠিক তেনেকুৱা কথাই ক'ব।"

সৃষ্টিৰে কল্প-বিজ্ঞান কাহিনীয়ে পাঠকক ভৱিষ্যতৰ জগতখনৰ প্ৰতি সাজু কৰি আহিব পৰা বা ঘটিব পৰা আশ্চৰ্যজনক অৱস্থাৰ পৰা ৰক্ষা কৰে আৰু এক বিমল ৰসৰ সোৱাদ দি বিজ্ঞানৰ জগতখনলৈ আকৰ্ষিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিজ্ঞান ভিত্তিক কল্প কাহিনীৰ হিউগো পুৰস্কাৰ কাৰ নামত প্ৰদান কৰা হৈছিল ?

.....

কল্প-বিজ্ঞান সাহিত্যত লেখকসকলে নতুনকৈ আৱিষ্কাৰ হ'বলৈ ধৰা বা অনাৱিষ্কৃত বিজ্ঞান জগতৰ বিভিন্ন বিষয়বস্তুক কাহিনীৰ উপজীব্য কৰি কল্পনাক ওপৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰে। কল্প-বিজ্ঞান সাহিত্য ঘাইকৈ বিদ্যুৎ চুম্বকীয় পদ্ধতি, কম্পিউটাৰ, অন্য গ্ৰহৰ জীৱ, কৃত্ৰিম ভূমিকম্প, পোহৰৰ তৰংগ, ইনভাইট্ৰ' ফাৰ্টিলাইজেচন, চাৰ'গেট মাদাৰ, বায়'ৰবট, জেনেটিক ইঞ্জিনিয়াৰিং, লেজাৰ প্ৰযুক্তি, এইডছ, ক্লু'নিং, যৌন-উত্তেজক, এণ্টিফাৰ্টিলিটি এজেণ্ট আদি বিভিন্ন বিষয়বস্তুৰে ৰচিত হৈছে।

উপস্থাপন ৰীতিত পাশ্চাত্যৰ প্ৰভাৱ থাকিলেও ভাৰতীয় কল্প-বিজ্ঞান কাহিনীৰ এক স্বকীয় বৈশিষ্ট্য আছে — সেইবোৰ মূলতে মানৱকেন্দ্ৰিক; মানুহৰ আৱেগ-অনুভূতিয়ে তাত সন্মানজনক অগ্ৰাধিকাৰ লাভ কৰে। বৈজ্ঞানিক বিকাশসমূহৰ লগত মানুহৰ সামাজিক-সাংস্কৃতিক চেতনাৰ আন্তঃক্ৰিয়া উপযুক্ত শৈলীৰে তাত পৰিৱেশন কৰা হয়। বৈজ্ঞানিক বিশ্লেষণ, পৰীক্ষা-নিৰীক্ষাৰ জটিল প্ৰক্ৰিয়াৰ মাজলৈ সোমাই গৈয়ো কল্প-বিজ্ঞানত লেখকে নিজৰ সৃষ্টিক বৈচিত্ৰ্যময় ৰূপ দিবলৈ সম্ভৱ হয় ফলত কাহিনী উপস্থাপন পদ্ধতিয়ে অভিনৱত্ব ৰূপ লাভ কৰে। তদুপৰি ষাঠিৰ দশকৰ আৰম্ভণিৰে পৰা বিজ্ঞান নিৰ্ভৰশীল আৰু বিজ্ঞানৰ প্ৰভাৱেৰে ৰঞ্জিত কল্প-বিজ্ঞান কাহিনী লাহে লাহে তাৰ সেই আগৰ ভেটিৰ পৰা আঁতৰি গৈ ৰীতি আৰু কৌশলত নিৰ্ভৰশীল হৈ পৰিল।

কল্প-বিজ্ঞান সাহিত্যৰ ভাষাৰ প্ৰয়োগো মন কৰিবলগীয়া বিষয়। কল্প-বিজ্ঞানৰ ভাষা সহজ-সৰল আৰু সাৱলীল হ'লে পাঠকৰ সহজে বোধগম্য হয়। বিজ্ঞানৰ জটিল বিষয় একোটাৰ নিৰ্বাচন, চৰিত্ৰ-চিত্ৰণ, কাহিনী উপস্থাপন আদি বিষয়বোৰৰ বৰ্ণনা সহজ ভাষাৰে বৰ্ণনা কৰাতেই লেখকৰ সাৰ্থকতা নিৰ্ভৰ কৰে। অসমীয়া সাহিত্যতো কল্প-বিজ্ঞান সাহিত্যৰ ভাষা এটি গুৰুত্বপূৰ্ণ বিষয়। এই ক্ষেত্ৰত ড° দীনেশ চন্দ্ৰ গোস্বামীৰ কল্প-বিজ্ঞান সাহিত্যলৈ মন কৰিলে দেখা যায় যে তেওঁ বিজ্ঞান সম্পৰ্কীয় বিষয় আৰু তথ্যবোৰত ইংৰাজী ভাষা ব্যৱহাৰ কৰাৰ ফলত কাহিনীৰ বৰ্ণনাত কোনো কৃত্ৰিমতা পোৱা নাযায়। গোস্বামীৰ ৰচনাৰ ভাষা অতি নিখুঁতভাৱে অংকিত হৈছে। অসমীয়া ভাষাৰ কল্প-বিজ্ঞান কাহিনীবোৰো মূলতঃ মানৱকেন্দ্ৰিক। মানুহৰ আৱেগ-অনুভূতিয়ে ইয়াত প্ৰাধান্য লাভ কৰে। বৈজ্ঞানিক অগ্ৰগতিৰ লগতে মানুহৰ সামাজিক, সাংস্কৃতিক

কোৱা নাছিল যদিও ই সম্পূৰ্ণ কল্প-বিজ্ঞান কাহিনী বা ছাইন্স ফিক্‌ছনেই আছিল। আনহাতে, অদ্ভুত কল্পনাৰে ব্ৰাম ষ্টোকাৰে 1897 চনত ৰচনা কৰা *ড্ৰাকুলাৰ* কল্পনাবোৰ অদ্ভুত সম্ভাৱনাময় আছিল যদিও বিজ্ঞানৰ লগত সম্পৰ্ক নথকা বাবে তাক বিজ্ঞানভিত্তিক কল্প কাহিনীৰ পৰ্যায়লৈ আনিব নোৱাৰি। তাক মাত্ৰ ফেণ্টাছি বুলিহে ক'ব পাৰি।

দৰাচলতে কল্প-বিজ্ঞান কাহিনী বুলি শ্ৰেণীভুক্ত কৰিব পৰা এক বিশেষ সাহিত্যৰ সৃষ্টি ঊনবিংশ শতিকাৰ শেষৰ দশকটোতহে হ'বলৈ আৰম্ভ কৰে আৰু এই কামৰ প্ৰধান হোতা হৈ পৰে জুল ভার্ন আৰু এইচ জি ৱেলছ। তেওঁলোকে আমোদ সৃষ্টি কৰিবলৈ বা সমাজলৈ আহিব ধৰা কেতবোৰ ঘটনাক্ৰম বৰ্ণনা কৰিবলৈ এইবোৰ কল্প কাহিনীৰ সৃষ্টি কৰিছিল। বিজ্ঞানৰ জগতখনত নতুনকৈ আৱিষ্কাৰ হ'বলৈ ধৰা নানা কথাই তাত ঢোকা দি কল্পনাক ওপৰলৈ লৈ যোৱাত সহায় কৰিছিল।

ছুইডেনৰ পৰা 1886 চনত প্ৰথম কল্প-বিজ্ঞান পত্ৰিকা *ষ্টেলা* প্ৰকাশ হয়। কিন্তু কল্প-বিজ্ঞান কাহিনী 1926 চন মানৰ পৰাহে কাহিনীৰ পৰ্যায়লৈ আহি এটা সম্পূৰ্ণ বেলেগ শ্ৰেণীত বিভক্ত হৈ পৰে। তেতিয়া আমেৰিকাৰ হিউগো গার্নছবেকে *এমেজিং ষ্টৰিজ* নামৰ এখন আলোচনী প্ৰকাশ কৰিবলৈ লয় আৰু এই আলোচনীত কেৱল বিজ্ঞানভিত্তিক গল্প-উপন্যাসকহে ঠাই দিয়া হৈছিল। গার্নছবেকৰ এই প্ৰচেষ্টা ইমানেই সফল হৈছিল যে আমেৰিকা আৰু পৃথিৱীৰ বিভিন্ন উন্নত দেশত তেওঁক অনুকৰণ কৰি এনেদৰে কল্প-বিজ্ঞান কাহিনীৰ আলোচনী আৰু কিতাপ উলিয়াবলৈ বিভিন্ন প্ৰকাশক আগবাঢ়ি আহিল।

গানৰ্ছবেক আৰু কেম্পবেলৰ সংজ্ঞা আৰু তেওঁলোকে ধাত্ৰী হিচাপে পালন কৰা সম্ভাৱনাময় লেখকসকলৰ পূৰ্ণতাপ্ৰাপ্তিয়ে কল্প-বিজ্ঞান সাহিত্যক দ্বিতীয় পৰ্যায়লৈ আগবঢ়াই নিলে। এই পৰ্যায়ৰ কাহিনীবোৰত বিজ্ঞানেহে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। আইজাক এছিম'ভ, ৰবাৰ্ট হেইনলিন, আৰ্থাৰ চি ক্লাৰ্ক আদি এই পৰ্যায়ৰ কাহিনীকাৰ। এই পৰ্যায়ৰ লেখকসকলে বিজ্ঞান আৰু কল্পনাৰ কাহিনীৰ মাজত সমন্বয় সৃষ্টি কৰিবলগীয়া হ'ল। এহাতে নিৰ্বিকাৰ নৈৰ্ব্যক্তিক যুক্তিবাদী বিজ্ঞান আৰু আনহাতে অযুক্তিকৰ স্বপ্নালু-আৱেগ বিজড়িত কাহিনীৰ সমন্বয় ঘটোৱাটো এক প্ৰকাৰ ক্ষুৰধাৰ ৰজ্জুৰ ওপৰেৰে খোজ কাঢ়ি যোৱাৰ নিচিনা কথা। কিন্তু এই প্ৰত্যাহ্বান এই সম্ভাৱনাপূৰ্ণ লেখকসকলে দক্ষতাৰে গ্ৰহণ কৰিলে। সেইবাবেই এই যুগটোক কল্পবিজ্ঞান কাহিনীৰ সোণালী যুগ বুলিও বহুতে ক'ব খোজে।

দ্বিতীয় মহাসমৰৰ পাছত মানুহৰ জীৱনৰ মূল্যবোধ সলনি হ'বলৈ ধৰিলে। মানুহে অনুভৱ কৰিবলৈ ধৰে যে বিজ্ঞান অকল তত্ত্বৰ ভিতৰতে আৱদ্ধ নাথাকি প্ৰায়োগিক ক্ষেত্ৰলৈও আগবাঢ়িছে। মানুহৰ চিন্তাধাৰাৰো পৰিৱৰ্তন ঘটিল। তাৰ প্ৰভাৱ স্বাভাৱিকতেই কল্প কাহিনীবোৰতো পৰিবলৈ ধৰিলে। এনেদৰে কল্প-বিজ্ঞান সাহিত্যৰ তৃতীয় পৰ্যায়টোও আৰম্ভ হ'ল আৰু তাত বিজ্ঞানৰ প্ৰভাৱে মানৱ জাতিক আনি দিয়া সকলো সম্ভাৱনা

পৰ্যায়ৰহে। তাত যিমানেই সামান্য নহওক কিয় বিজ্ঞানৰ ভেটি এটাৰ ওপৰত সাধুটোৱে ভেঁজা দি থিয় হ'বলৈ চেষ্টা কৰা যেন লাগে।

বিজ্ঞান বিশ্বজনীন। বিশ্বব্ৰহ্মাণ্ডৰ সকলো স্থানতে প্ৰকৃতিৰ নিয়ম আৰু সূত্ৰবোৰ একে ধৰণে খাটে। কিন্তু মানৱীয় ধৰ্ম, প্ৰতিক্ৰিয়া, আৱেগ-অনুভূতি আদিৰ নিচিনা কথাৰ ওপৰত এইবোৰৰ প্ৰভাৱ বিবেচনা কৰিলে দেখা যায় যে ব্যক্তি বা সমাজখনক যি সাংস্কৃতিক পৰিৱেশে আচ্ছন্ন কৰি ৰাখিছে তাৰ ওপৰত নিৰ্ভৰ কৰিহে সেই প্ৰভাৱবিলাক হয়। ভাৰতীয় কল্প-বিজ্ঞান কাহিনীৰ বিখ্যাত লেখক বাল ফোণ্ডকেই এটা সুন্দৰ উদাহৰণ দিছে। বৰ্তমান জীৱ-বিজ্ঞানৰ বিকাশৰ ফলত ভোৱোণীয়া মাতৃৰ সহায়ত সন্তান জন্ম দিয়াটো এতিয়া আৰু একো আচৰিত হৈ থকা নাই। কিন্তু পৃথিৱীৰ বিভিন্ন সমাজত ভোৱোণীয়া মাতৃৰ প্ৰতি প্ৰতিক্ৰিয়া কেতিয়াও একে হ'ব নোৱাৰে। সেইবাবে এই ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰৰ ভিত্তিত সৃষ্টি হোৱা কল্প-বিজ্ঞান কাহিনী এটা একেবাৰে সম্পূৰ্ণ ভাৰতীয় হৈ পৰিব পাৰে। এই দৃষ্টিৰে চালে ভাৰতীয় কাহিনীবোৰ অন্য কল্প-বিজ্ঞান কাহিনীতকৈ সম্পূৰ্ণ পৃথক। ভাৰতৰ ভিতৰতে আকৌ মাৰাঠী, বাংলা বা অসমীয়া কল্প-বিজ্ঞান কাহিনী কেতিয়াও সম্পূৰ্ণ একেধৰণৰ হৈ পৰিব নোৱাৰে। কাৰণ এইবোৰ সেই বিশেষ সমাজৰ সাংস্কৃতিক আৰু মানসিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰে।

ভাৰতীয় কল্প-বিজ্ঞান কাহিনীৰ ধাৰাটোত দেখা যায় যে, মাৰাঠী ভাষাতে এতিয়ালৈকে সৰ্বাধিক কল্প-বিজ্ঞান কাহিনীৰ সৃষ্টি হৈছে। ইয়াৰ পাছতে বাংলা আৰু তামিল ভাষা আছে। মাৰাঠী ভাষাৰ আলোচনীসমূহৰ দেৱালীৰ বিশেষ সংখ্যাত প্ৰতি বছৰে বহুসংখ্যক কল্প-বিজ্ঞান কাহিনী প্ৰকাশ হয়। বাল ফোণ্ডকেৰ মতে মাৰাঠী ভাষাৰ দৰে ভাৰতীয় অন্য ভাষাবোৰত কল্প-বিজ্ঞান কাহিনীৰ ৰচনা সিমান খৰতকীয়া নহ'ল। তেওঁ সত্যজিৎ ৰায়ৰ কথা উল্লেখ কৰি কৈছে যে তেওঁ যদিও প্ৰথমতে কল্প-বিজ্ঞান সাহিত্যৰ কিছু দক্ষতা দেখু�ৱাইছিল, পাছলৈ অৱশ্যে তেওঁৰ ৰচনাবোৰত বিজ্ঞানক পিছৰ ঠাই দি অদূৰদৰ্শী অভিযানমূলক কথাবোৰকহে আগ স্থান দি সেইবোৰ কল্প-বিজ্ঞান কাহিনীৰ প্ৰথম পৰ্য্যায়টোলৈ ওলোটামুৱাকৈ ঘূৰাই লৈ গ'ল। বৰ্তমান ভাৰতীয় বিজ্ঞানীসকলৰ ভিতৰত জনপ্ৰিয় কল্প-বিজ্ঞান কাহিনী ৰচনাত শীৰ্ষস্থানত থকা বিজ্ঞানীজন হ'ল ড° জয়ন্ত বিষ্ণু নালিৰ্কাৰ। এওঁ মাৰাঠী আৰু ইংৰাজী উভয় ভাষাতে বহুতো কল্প-বিজ্ঞান কাহিনী লিখিছে।

আধুনিক সাহিত্যত বিজ্ঞান ভিত্তিক কল্প-কাহিনী এনে এটা প্ৰতিষ্ঠিত শাখা হৈ পৰিছে যে উন্নত দেশবোৰত বহুতো কলেজ আৰু বিশ্ববিদ্যালয়ত সাহিত্যৰ পাঠ্যক্ৰমত কল্প-বিজ্ঞান সাহিত্যৰ অধ্যয়নো অন্তৰ্ভুক্ত কৰা হৈছে।

অসমীয়া সাহিত্যত সৌৰভ কুমাৰ চলিহাই 1950 চনত পোন প্ৰথমবাৰৰ বাবে *আৰাজ* নামৰ এটা সুন্দৰ কল্প-বিজ্ঞান কাহিনী লিখি অসমীয়া ভাষাত প্ৰকৃত আধুনিক কল্প-বিজ্ঞান গল্পৰ ধাৰা আৰম্ভ কৰিছিল। তেওঁৰ *ওপৰত* আৰু *শেষ অনুবোধ*

মাৰাঠী ভাষাত বছৰি প্ৰকাশ পোৱা কল্প-বিজ্ঞান কাহিনীৰ তুলনাত অসমীয়া ভাষাত এই সংখ্যা কম। এই বিষয়ে কিছু কথা পৰৱৰ্তী শাখাটোত আলোচনা কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ কৰ পৰা, কিমান চনত, কি নামেৰে প্ৰথম কল্প-বিজ্ঞান পত্ৰিকাখন প্ৰকাশ পাইছিল?

.....

প্ৰশ্ন নং ৩ ঃ কিমান চনত, কি নামেৰে, কি ভাষাত ভাৰতীয় ভাষাৰ প্ৰথম কল্প-বিজ্ঞান পত্ৰিকা প্ৰকাশ হৈছিল?

.....

প্ৰশ্ন নং ৪ ঃ প্ৰথম অসমীয়া কল্প-বিজ্ঞান গল্পটো কোনে লিখিছিল আৰু কিমান চনত ক'ত প্ৰকাশ পাইছিল?

.....

৬.৪ অসমীয়া কল্প-বিজ্ঞান সাহিত্য

ইয়াৰ আগৰ শাখাটোতেই আমি উল্লেখ কৰি আহিছোঁ যে 1937 চনত *আৰাহন*ৰ পাততে প্ৰথমটো অসমীয়া কল্প-বিজ্ঞান কাহিনীৰ প্ৰকাশ হৈছিল। তাৰ পৰৱৰ্তী সময়ত ক্ৰমান্বয়ে এই ধাৰাটিয়ে অসমীয়া সাহিত্যত নিগাজীকৈ খুঁটি পুতিলে। সামগ্ৰিকভাৱে বিষয়বস্তু অনুসৰি অসমীয়া কল্প-বিজ্ঞান সাহিত্যক এনে ধৰণে ভাগ কৰি দেখুৱাব পাৰি — কল্প-বিজ্ঞান ভিত্তিক গল্প, কল্প-বিজ্ঞান ভিত্তিক উপন্যাস, কল্প-বিজ্ঞান ভিত্তিক নাটক আৰু অনুবাদ মূলক।

- **কল্প-বিজ্ঞান গল্প** ঃ কল্প-বিজ্ঞান গল্প সাহিত্য হ'ল বিজ্ঞান আশ্ৰিত কাল্পনিক কাহিনী বা গল্প। শিশুসকলৰ বাবে এনে বিজ্ঞান কাহিনী বা গল্পৰ সংখ্যা অসমীয়া ভাষাত অতি নগণ্য। *আৰাহন*ৰ 'বিৰচতীয়াৰ দেশ' আৰু 'ৰসায়ন' নামৰ কল্প-বিজ্ঞান ভিত্তিক গল্প প্ৰকাশ হোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰি আহিছোঁ। সৌৰভ কুমাৰ চলিহাৰ গল্প 'মিনি নয়জ' আন এক উল্লেখযোগ্য কল্প-বিজ্ঞান ৰচনা। 1950 চনত ৰচিত এই গল্পটো 1966 চনত *অসম বাতৰিত* 'মিনি নয়জ' নামেৰে আৰু পাছত *গোলাম* নামৰ সংকলনত 'আৰাজ' নামেৰে প্ৰকাশিত হৈছিল। এই 'আৰাজ' নামৰ গল্পটোৰ যোগেদি অসমীয়া ভাষাত প্ৰকৃত আধুনিক কল্প-বিজ্ঞান গল্প ৰচনাৰ ধাৰা আৰম্ভ হৈছিল। কিন্তু বিদেশত হোৱাৰ দৰে অসমতো তেতিয়া তাক কল্প-বিজ্ঞান কাহিনী বুলি কোৱা হোৱা নাছিল। এটা সাধাৰণ গল্প হিচাপেহে তাক প্ৰকাশ কৰা হৈছিল। ড° বিজয় কৃষ্ণ দেৱশৰ্মাই কল্প-বিজ্ঞান কাহিনীৰ কেইবাখনো পুথি প্ৰকাশ কৰিছে আৰু সৌৰভ কুমাৰ চলিহাৰ পাছতে তেওঁ এই ধৰণৰ মৌলিক ৰচনাৰে অসমীয়া সহিত্যলৈ অৰিহণা যোগাইছে। 'চন 2466, এক এপ্ৰিল' (1963) দেৱশৰ্মা ৰচিত প্ৰথম

আৰু *আত্মজীৱনীৰ প্ৰয়াস*(2007)।

আন এজন প্ৰতিষ্ঠিত বিজ্ঞান লেখক ড° বিজয় কৃষ্ণ দেৱশৰ্মাই যাঠিৰ দশকৰ পৰাই বিজ্ঞান ভিত্তিক গল্প, উপন্যাস আদি ৰচনা কৰি অসমীয়া সাহিত্যলৈ অৰিহণা যোগাইছে। তেওঁৰ দ্বাৰা ৰচিত আৰু অনূদিত দুকুৰিৰো অধিক বিজ্ঞানভিত্তিক কাহিনী ইতিমধ্যে প্ৰকাশ হৈছে। দেৱশৰ্মা ৰচিত কল্প-বিজ্ঞান গ্ৰন্থ *চন্দ্ৰলোকত প্ৰথম মানুহ*(1969) অসমীয়া সাহিত্যৰ সৰ্বপ্ৰথম বিজ্ঞানভিত্তিক উপন্যাসিকা। পৃথিৱীৰ মানুহ পোন প্ৰথমে চন্দ্ৰৰ বুকুত অৱতৰণ কৰিছিল 1969 চনত। লগে লগে মহাকাশত আৰু অধিক অভিযান চলোৱাৰ শুভ আৰম্ভণি হৈছিল। এনে এক আৰম্ভণিৰ প্ৰয়াসতেই সৃষ্টি হৈছে দেৱশৰ্মা ৰচিত কল্প-বিজ্ঞান উপন্যাস *তুলসী তলত মৃগপহু চৰে।* চন্দ্ৰলৈ যোৱাৰ দুৰন্ত অভিযানৰ বৰ্ণনা ইয়াত প্ৰকাশ পাইছে।

কবি নৱকান্ত বৰুৱাই কল্প-বিজ্ঞান উপন্যাস *অ-পদাৰ্থ*(1982) ৰচনা কৰিছে। জৈৱ পদাৰ্থ বিজ্ঞানৰ প্ৰয়োগেৰে ৰক্তহীন অস্ত্ৰোপচাৰৰ এক অভিনৱ পদ্ধতিৰ উদ্ভাৱন আৰু শেষত সেই অ-পদাৰ্থ শক্তিত নিজেই আত্মজাহ যোৱাৰ বৰ্ণনা উপন্যাসখনিত প্ৰকাশ পাইছে। 'অ-পদাৰ্থ' অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ এক উল্লেখযোগ্য ৰচনা। বিজ্ঞান কাহিনী লেখক অমূল্য হাজৰিকা ৰচিত দুখন কল্প-বিজ্ঞান উপন্যাস হ'ল *আক্ৰমণ*(1983) আৰু *সন্ধান* (1992)। যুদ্ধ-বিগ্ৰহত জিনীয় অভিযন্ত্ৰণৰ সম্ভাৱনীয় প্ৰয়োগৰ পটভূমিত ৰচিত হৈছে *আক্ৰমণৰ* কাহিনী। এওঁৰ দ্বিতীয়খন উপন্যাস *সন্ধানত* লেখকে মানৱ জাতিৰ ক্ষুদ্ৰতা প্ৰতিপন্ন কৰাৰ উপৰি বিশ্ব-ব্ৰহ্মাণ্ডৰ লগত মানুহৰ যোগসূত্ৰ আৰু ওচৰ সম্পৰ্ক পাঠকৰ গ্ৰহণযোগ্য হোৱাকৈ দাঙি ধৰাত সফলতা অৰ্জন কৰিছে।

বন্দিতা ফুকনে 1998 চনত ৰচনা কৰা কল্প-বিজ্ঞান উপন্যাসিকা *আপেক্ষিকতাবাদ তেওঁৰ বাবেই*গ্ৰন্থৰূপত প্ৰকাশ হয় 2007 চনত। প্ৰকৃতিত থকা কোনো বস্তুৰে গতিবেগ পোহৰৰ গতিবেগতকৈ বেছি হ'ব নোৱাৰে। ই এক প্ৰামাণিত তথ্য। 'মিৰাণ্ডা' নামৰ গ্ৰহটোত পোহৰৰ গতিবেগ কম হোৱাৰ ফলত আপেক্ষিকতাবাদৰ সূত্ৰত সম্ভৱপৰ হ'ব পৰা ঘটনা কিছুমানৰ আলমত কাহিনীভাগ অংকিত হৈছে। এই উপন্যাসখনৰ বিষয়বস্তুৱে পাঠকক চিন্তাৰ খোৰাক যোগায়। ফুকনৰ দ্বিতীয়খন উপন্যাস 'নতুন পৃথিৱী' (সাদিন, বসন্ত সম্ভাৰ 2005)ত লেখিকাই পঁচিছ শতিকাৰ সম্ভাব্য পৃথিৱীখনৰ এক চিত্ৰ অংকিত কৰিছে।

আন এগৰাকী বিজ্ঞান লেখক চাকিল জামালৰ কল্প-বিজ্ঞান উপন্যাস *নীলা-নীলা বেদনা* (1996) এক অনুপম সৃষ্টি। কোনোধৰণৰ পৰীক্ষা নকৰাকৈ এক নতুন প্ৰযুক্তি মানৱ শৰীৰত প্ৰয়োগ কৰাৰ ফলস্বৰূপে হোৱা পৰিণতিৰে ৰচিত হৈছে *নীলা নীলা বেদনা* উপন্যাসখন। প্ৰতিষ্ঠিত বিজ্ঞান লেখক শান্তনু তামুলীৰ 'প্ৰাচীৰ' (সাদিন, বসন্ত সম্ভাৰ, 1994) এখন কল্প-বিজ্ঞান উপন্যাস। উপন্যাসত লেখকে কম্পিউটাৰ ইমেজেৰি ছিমুলেছন আৰু কম্পিউটাৰ এইডেড্ ৰাইটিঙৰ দ্বাৰা কিদৰে এক কাহিনী ৰচনা কৰিব পাৰি তাৰ আভাস দিছে। সু-পৰিচিত বিজ্ঞান লেখক ৰথীন্দ্ৰনাথ গোস্বামী ৰচিত এখন কল্প-বিজ্ঞান উপন্যাস হ'ল *কিংকিনীৰ বিদ্ৰোহ* (2002)। ইয়াৰ বিষয়বস্তু অনুসৰি উন্নত দেশত 'ৰবটে' মানৱ জীৱন আৰু ভালেখিনি ঠাই

মনোৰম সংযোগ ঘটাবলৈ সক্ষম হৈছে। তেওঁৰ আন কেইখনমান উল্লেখযোগ্য কল্প-বিজ্ঞান ভিত্তিক নাটক হ'ল *আলস্য, বিজ্ঞাপন বিজ্ঞাপন, সংঘাত, যুগসন্ধি, ভদ্রতামাপক যন্ত্র, কথা-শিল্পী, সৃষ্টিৰ সুবাস, এনিমেল থট্ ৰেকর্ডাৰ, শেষ প্রস্তুতি, নতুন শতিকাৰ সপোন* আদি।

অসমীয়া সাহিত্যৰ আন এগৰাকী খ্যাতনামা কল্প-বিজ্ঞান ভিত্তিক নাটক ৰচোতা হ'ল ড° শ্যামা প্রসাদ শর্মা। এওঁৰ *বিজ্ঞান জেউতি*আলোচনীত 1969 চনত 5ম বছৰৰ 2য় সংখ্যাত প্রকাশিত 'দেৱতাৰ অন্য ৰূপ' এখন সফল বিজ্ঞানভিত্তিক নাটক। অসমীয়া সাহিত্যৰ আন এগৰাকী যশস্বী নাট্যকাৰ অৰুণ শর্মাই আধুনিক অসমীয়া নাটকৰ নতুন বেগ দান কৰি নিজকে তাৰ কৃতবিদ্য নাট্যকাৰ হিচাপে অসমীয়া নাটকলৈ আপুৰুগীয়া সম্পদ কঢ়িয়াই আনিছে। এওঁৰ *স্থাৱৰ* অসমীয়া সাহিত্যৰ এখন উল্লেখযোগ্য কল্প-বিজ্ঞান নাটক। সুদক্ষ অভিনেতা আৰু নাট্যকাৰ ড° সুশীল গোস্বামীৰ *মন গুহাৰ অন্ধকাৰত* নাটকখন গুৱাহাটী অনাতাঁৰ কেন্দ্রৰ পৰা প্রচাৰিত হৈছিল আৰু অৰুণ শর্মাই সম্পাদনা কৰা *অনাতাঁৰ নাট্যাৱলী* গ্রন্থত অন্তর্ভুক্ত হৈছে। বিজ্ঞানভিত্তিক নাটক হিচাপে ই চিত্তাকর্ষক হৈছে।

হিমেন্দ্র বৰঠাকুৰৰ *মমৰ ঘৰ, বিন্দু* কল্প-বিজ্ঞান ভিত্তিক উল্লেখযোগ্য মঞ্চ নাটক। আন এগৰাকী সুদক্ষ নাট্যকাৰ, লেখক, গীতিকাৰ, কবি ড° অমৰজ্যোতি চৌধুৰীৰ *সাংকেতিক* নামৰ এখন কল্প-বিজ্ঞান নাটক আকাশবাণী গুৱাহাটীৰ দ্বাৰা 1988 চনত প্রচাৰিত হৈছিল।

- **অনুবাদমূলক ঃ** উল্লিখিত ৰচনাসমূহৰ উপৰি কিছু সংখ্যক অনূদিত বিজ্ঞান ভিত্তিক গ্রন্থই অসমীয়া কল্প-বিজ্ঞান সাহিত্যিক চহকী কৰিছে। এইসমূহৰ ভিতৰত — এইচ জি ৱেলছৰ *দা ইনভিজিবল মেনৰ* হেমবালা দাসে কৰা অনুবাদ *অদৃশ্য মানৱ* (1956), জুল ভার্নৰ *টুৱেণ্টি থাউজেণ্ড লীগছ আণ্ডাৰ দা ছি*ৰ বিজয় কৃষ্ণ দেৱশর্মাই কৰা অনুবাদ *সাগৰিকা* আৰু ড° দীনেশ চন্দ্র গোস্বামীৰ *সাগৰৰ তলিয়েদি কুৰি হাজাৰ লিগ*(1988), জুল ভার্নৰ *ফ্রম আর্থ টু দা মুনৰ* অনিল কুমাৰ শর্মা আৰু কুলেন্দু পাঠকে কৰা অনুবাদ *চন্দ্রলোকলৈ*(1965), ৰায়হান শ্বাহে আর্থাৰ কানান ডয়ালৰ *দা লষ্ট ৱর্ল্ডৰ* অনুবাদ *বিলুপ্ত জগত*(1970), জুল ভার্নৰ *এ জার্নি টু দা চেণ্টাৰ অৱ দা আর্থৰ* এম আব্দুল মজিদ খানে কৰা অনুবাদ *ভূগর্ভ অভিযান*আৰু ড° দীনেশ চন্দ্র গোস্বামীৰ *পৃথিৱীৰ কেন্দ্রলৈ অভিযান*(2000), জুল ভার্নৰ *এৰাউণ্ড দা ৱর্ল্ড ইন এইটি ডেজ*ৰ মহেন্দ্র বৰুৱাই কৰা অনুবাদ (1962) আৰু সৌৰভ কুমাৰ চলিহাৰ *আশী দিনত পৃথিৱী ভ্রমণ*(2001), মেৰী ছেলীৰ *ফ্রেংকেনষ্টেইন*ৰ দীনেশ বৈশ্যই কৰা অনুবাদ (1993), হেম শর্মা অনূদিত আনাতোলি মিত্যায়েভৰ *গ্রিস্কা আৰু মহাকাশচাৰী*(1984), শান্তনু তামুলীয়ে কৰা য়েভগেনি ভেলটিষ্টভৰ *ইলেকট্রনিক মালচিক ইৱা চেমোডানা*ৰ অসমীয়া ৰূপান্তৰ *ইলেকট্রনিক নামৰ ল'ৰাটো*(1993) উল্লেখযোগ্য।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে কমকে হ'লেও বিভিন্ন ধাৰাৰ কল্প-বিজ্ঞান ভিত্তিক সাহিত্যইও অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে।

ৰাজখোৱা, ড° বিজয় কৃষ্ণ দেৱশর্মা, অমূল্য কুমাৰ হাজৰিকা, চাকিল জামাল, ড° শ্যামা প্রসাদ শর্মা, ড° অমৰজ্যোতি চৌধুৰী, ড° ৰমেশ চন্দ্র গোস্বামী আদি সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাৰাজিৰ জৰিয়তে অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

আমাৰ সাহিত্যিক-সমালোচক-বুদ্ধিজীৱিসকলে এতিয়াও অসমীয়া বিজ্ঞান ভিত্তিক কাহিনী বা কল্প-বিজ্ঞান গল্প-উপন্যাসবোৰক গল্প বা উপন্যাস বুলি ক'বলৈ টান পায় আৰু তেওঁলোকৰ গল্প-উপন্যাস-নাটক আদিৰ আলোচনা-বিলোচনাবোৰত সেইবোৰৰ উল্লেখেই নকৰে। তেওঁলোকে বিজ্ঞানৰ বিষয়বস্তুৰ উল্লেখ থকা লেখাবোৰক একোটা জনপ্রিয় বিজ্ঞানৰ প্রবন্ধ বুলিহে ভাবে, কাৰণ বিজ্ঞানৰ নীতি আৰু সম্ভাৱনীয়তাৰ ওপৰত প্রতিষ্ঠিত নহ'লে কেৱল অনিয়ন্ত্রিত কল্পনাৰ জোৰেৰে সি কল্প-বিজ্ঞান নহয়। বিশ্ব সাহিত্যত কল্প-বিজ্ঞানক এক বিশিষ্ট ধাৰা বুলি স্বীকৃতি দিয়াৰ পিছতো অসমৰ নির্দ্দিষ্ট কেইজনমান সাহিত্যিকৰ বাদে বাকীসকলে গুৰুত্ব প্রদান কৰা দেখা নাযায়।

তথাপিতো সগৌৰৱে ক'ব পাৰি যে অসমীয়াত যোৱা তিনিটা দশকত বহুতো কল্প-বিজ্ঞান কাহিনী ৰচিত হৈছে। তাৰ ভিতৰত কেইবাখনো সম্পূর্ণ উপন্যাস আৰু গল্প সংকলনো আছে। বর্তমানে অসমীয়া ভাষাই বিজ্ঞান ভিত্তিক গল্প, উপন্যাস আৰু নাটকৰ মৌলিকতাৰ ক্ষেত্রত ভাৰতৰ যিকোনো ভাষাৰ তুলনাতে গুৰুত্বপূর্ণ স্থান লাভ কৰিছে। ভাৰতৰ বিভিন্ন ভাষাত কল্প-বিজ্ঞানক সাহিত্যৰ বিশিষ্ট ধাৰা বুলি একেবাৰে গণ্য নকৰা অৱস্থা এতিয়াও চলি আছে। কিন্তু অসমীয়া সাহিত্যিকসকলে এই শ্রেণীৰ সাহিত্যক স্বীকৃতি দিয়াটো অসমীয়া ভাষাৰ বাবে অত্যন্ত গৌৰৱৰ বিষয়। অসমৰ গুৰুত্বপূর্ণ অনুষ্ঠান অসম সাহিত্য সভা, অসম প্রকাশন পৰিষদ আৰু অসম বিজ্ঞান সমিতিয়ে এইক্ষেত্রত যদি আগভাগ লৈ কল্প-বিজ্ঞানভিত্তিক গ্রন্থ প্রকাশ কৰে তেন্তে অনাগত দিনত অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ জয়যাত্রা নিশ্চিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ কল্প-বিজ্ঞানমূলক ৰচনা লিখা 6 গৰাকী অসমীয়া সাহিত্যিকৰ নাম লিখক।

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কল্প-বিজ্ঞান বা Science Fiction হ'ল আধুনিক সাহিত্যত সম্পূর্ণভাৱে বিকশিত সাহিত্যৰ

8) বৰুৱা, প্ৰদীপ (সম্পা.) (16-30 এপ্ৰিল,2008); *প্ৰান্তিক;* গুৱাহাটী।
9) শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) (আগষ্ট, 2006] Ê, *গৰীয়সী;* গুৱাহাটী।
10) শৰ্মা পূজাৰী, অনুৰাধা (সম্পা.) (16-31 মে', 2008); *সাতসৰী;* গুৱাহাটী।

৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ হিউগো গাৰ্নছবেক নামেৰেই বিজ্ঞানভিত্তিক কল্প কাহিনীৰ উচ্চ সন্মানিত হিউগো পুৰস্কাৰ দিয়া হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ছুইডেনৰ পৰা 1886 চনত প্ৰথম কল্প-বিজ্ঞান পত্ৰিকা *ষ্টেলা* প্ৰকাশ হৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 1963 চনত ভাৰতীয় ভাষাৰ প্ৰথম কল্প-বিজ্ঞান পত্ৰিকা হিচাপে বাংলা ভাষাৰ *আশ্চৰ্য্য* প্ৰকাশিত হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম অসমীয়া কল্প-বিজ্ঞান গল্পটো হ'ল 1937 চনত *আৰাহনত* প্ৰকাশিত হৰি প্ৰসাদ বৰুৱাৰ 'বিৰচতীয়াৰ দেশ'।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ড° দীনেশ চন্দ্ৰ গোস্বামীৰ কঁকাল নামৰ গল্পটিৰ বিষয়বস্তু হৈছে 'কম্পেক্ট ৰেজিয়েটৰ' নামৰ অভিনৱ যন্ত্ৰৰ আৱিষ্কাৰ আৰু ইয়াৰ ব্যৱহাৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চাকিল জামালৰ কল্প-বিজ্ঞান উপন্যাস *নীলা-নীলা বেদনাৰ* বিষয়বস্তু আছিল— কোনোধৰণৰ পৰীক্ষা নকৰাকৈ এক নতুন প্ৰযুক্তি মানৱ শৰীৰত প্ৰয়োগ কৰাৰ ফলস্বৰূপে হোৱা পৰিণতি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কল্প-বিজ্ঞানমূলক ৰচনা লিখা 6 গৰাকী অসমীয়া সাহিত্যিকৰ নাম হ'ল — হৰিপ্ৰসাদ বৰুৱা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ড° দীনেশ চন্দ্ৰ গোস্বামী, বন্দিতা ফুকন, শান্তনু তামুলী, ৰথীন্দ্ৰনাথ গোস্বামী।

৬.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্ন সমূহৰ অতি চমু উত্তৰ লিখক —

(ক) অসমীয়া ভাষাত প্ৰকৃত আধুনিক কল্প-বিজ্ঞান গল্প ৰচনাৰ সূচনা কাৰ হাতত হৈছিল?

(খ) নৱকান্ত বৰুৱাই ৰচনা কৰা কল্প-বিজ্ঞানমূলক উপন্যাসখনৰ নাম কি?